কম্পিউটাৰ সহযোগী শিক্ষণৰ শ্ৰেণীকোঠাত সুবিধা আৰু সীমাবদ্ধতা সমূহ কি কি ?

Ans:-আৰম্ভনি

কম্পিউটাৰ আধুনিক বিজ্ঞানৰ এক আশ্চৰ্যজনক আৱিস্কাৰ । বৰ্তমান দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰ কৰা হয় । ইয়াৰ ব্যৱহাৰে বিভিন্ন কাম সমূহ দ্ৰুত ও খৰতকীয়া আৰু নিৰ্ভুল বাবে কৰাটো সম্ভৱ কৰি তুলিছে । বৰ্তমান যুগটোক কম্পিউটাৰৰ যুগ বুলি অভিহিত কৰিব পাৰো । ইয়াৰ ব্যৱহাৰে মানপহৰ জীৱনক অধিক গতিশীল কৰি তুলিছে । পৃথিৱী বিয়পি কম্পিউটাৰ প্ৰযুক্তিৰ বিকাশৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰতো ইয়াৰ প্ৰয়োগৰ প্ৰৱণতা বৃদ্ধি পাইছে ।

**কম্পিউটাৰ নিৰ্দেশিত সহযোগী শিক্ষনৰ অৰ্থঃ**

শিক্ষা প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ নতুন সংযোজন হৈছে কম্পিউটাৰৰ ব্যৱহাৰ । কম্পিউটাৰৰ সহায়ত অনুদেশ প্ৰদানৰ মূখ্য উদ্দেশ্য শিক্ষা প্ৰক্ৰিয়াক ব্যক্তিমূখী কৰি তোলাৰ বাবে অধিক নমনীয়তা প্ৰদান কৰা । কম্পিউটাৰৰ সহায়ত প্ৰদান কৰা অনুদেশত ছাত্ৰ-ছাত্ৰী সকলক সম্পূৰ্ণ নিজস্ব ক্ষমতা অনুসৰি শিকাৰ সুবিধা প্ৰদান কৰা হয় । শ্ৰেণীকক্ষৰ সুখাত্মুখী

Scanned with CamScanner

শিক্ষন প্ৰক্ৰিয়াত প্ৰদান কৰিব নোৱাৰা জটিল বিষয়বস্তুৰ জ্ঞানো অতি প্ৰণালীবদ্ধ ভাৱে কম্পিউটাৰৰ সহায়ত প্ৰদান কৰিব পাৰি । কম্পিউটাৰৰ সহায়ত দিয়া অনুদেশৰ দ্বাৰাই পোনপটীয়া ভাবে শিক্ষাথীৰ লগত যোগাযোগ অতি সহজতে সম্ভৱ পৰ হয় । ই শিক্ষাথীক পোনপটীয়াকৈ অনুদেশ প্ৰদান কৰে আৰু প্ৰক্ৰিয়াটোত সন্নিবিষ্ট পাঠৰ দ্বাৰা শিক্ষাৰ্থীক কম্পিউটাৰৰ লগত আদান-প্ৰদান কৰিবলৈ অনুমতি দিয়ে ।

শিক্ষাত কম্পিউটাৰৰ ব্যৱহাৰৰ ৰীতিক কম্পিউটাৰ সহযোগী শিক্ষন ( Computer Assisted Learning ) হিচাপে অভিহিত কৰা হয় । কম্পিউটাৰ সহযোগী শিক্ষনৰ ক্ষেত্ৰত কম্পিউটাৰৰ ব্যৱহাৰৰ একমাত্ৰ উদ্দেশ্য হৈছে শিক্ষাথীৰ সন্মুখত বিষয়বস্তুৰ বিশিষ্ট, সুস্থ ৰূপত উপস্থাপন কৰা, অগ্ৰগতি সম্পৰ্কে ধাৰণা দিয়া আৰু প্ৰয়োজনত বিকল্প শিক্ষনৰ ব্যৱস্থা কৰা । এই ক্ষেত্ৰত শিক্ষাথীৰ শিক্ষনৰ ক্ষেত্ৰ খনত দেখা দিয়া বিভিন্ন অসুবিধা সমূহ সমাধান কৰিবৰ বাবে কম্পিউটাৰক এক যোগাযোগকাৰী অংশ হিচাপে ব্যৱহাৰ কৰা হয় । কম্পিউটাৰ সহযোগী শিক্ষণৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰৰ উদ্দেশ্য হৈছে শিক্ষণ পৰিস্থিত শিক্ষাৰ্থীক প্ৰতিক্ৰিয়াশীল হোৱাৰ সুযোগ দিয়া । অৰ্থাৎ যি শিক্ষণত শিক্ষাথী সকলে কম্পিউটাৰক মূল সহযোগকাৰী হিচাপে ব্যৱহাৰ কৰি দ্ৰুত পৰিৱৰ্তনশীল তথ্যাৱলী সংগ্ৰহ কৰিব পাৰে, ইয়াকেই কম্পিউটাৰ সহযোগী শিক্ষণ বুলি কোৱা হয় ।

কম্পিউটাৰ সহযোগী শিক্ষাৰ সুবিধা :-

শিক্ষাৰ ক্ষেত্ৰত কম্পিউটাৰ সহযোগী শিক্ষণৰ সুবিধা সমূহ তলত আলোচনা কৰা হল --

১/ শিক্ষাক ব্যক্তিগতকৰণত কম্পিউটাৰে সহায় কৰে ।

২/ শিক্ষাৰ্থীৰ তৎকালিন প্ৰতিক্ৰিয়া লিপিবদ্ধ কৰি কম্পিউটাৰৰ সহায়ত পৰাম্পৰাগত ভাৱে দিয়া শিক্ষাতকৈ অধিক অনুপ্ৰেৰণা যোগাব পাৰি ।

৩/ কিছুমান জটিল সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় তথ্য কম্পিউটাৰৰ যোগেদি পাব পাৰি

৪/ কম্পিউটাৰে শিক্ষাৰ্থীক তেওঁলোকৰ নিজৰ গতিত শিক্ষালাভ কৰাত সহায় আগবঢ়ায় ।

৫/ শিক্ষাৰ্থীয়ে নিজে চিন্তা কৰি উলিওৱা ধাৰণা আৰু সূত্ৰ আদিৰ শুদ্ধতা আৰু অশুদ্ধতা কম্পিউটাৰৰ সহায়ত পৰীক্ষা কৰি চাব পাৰে ।

৬/ কম্পিউটাৰত সঞ্চিত তথ্যৰ ভঁড়াল মুকলি কৰি শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰিব পাৰে ।

৭/ শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ বাবে আৱিস্কৃত নতুন নতুন পদ্ধতি সম্পৰ্কে অৱগত হবৰ বাবে কম্পিউটাৰে সহায় কৰে ।

৮/ কম্পিউটাৰৰ ব্যৱহাৰে শিক্ষাৰ্থী সকলক আধুনিক জগতৰ বিভিন্ন নতুন সম্বন্ধে উপলব্ধি সক্ষম কৰি তোলে ।

Scanned with CamScanner

৯/ বৰ্তমান তথ্য প্ৰযুক্তিবিদ্যাই বিশ্বখনক এখন সৰু গাৱঁলৈ ৰূপান্তৰিত কৰিছে । প্ৰতি মুহূৰ্ততে পৃথিৱীৰ বিভিন্ন ঠাইত সংঘটিত ঘটনা পৰিঘটনা সম্পৰ্কত ইণ্টাৰনেট সংযোযিত কম্পিউটাৰৰ মাধ্যমেদি খবৰ সংগ্ৰহ কৰিব পাৰি ।

১০/ কম্পিউটাৰ সহযোগী শিক্ষণে আধুনিক মূল্যায়ণ ব্যৱস্থাক সহজ আৰু বিজ্ঞানসন্মত কৰি তুলিছে । ছাত্ৰ-ছাত্ৰীসকল পাঠৰ বিভিন্ন পৰ্যায়ত কিদৰে অগ্ৰসৰ হৈছে তাৰ সম্পূৰ্ণ তথ্য কম্পিউটাৰত সংৰক্ষণ কৰা থাকে । ই মূল্যায়ণ কাৰ্যক সহজ কৰি তোলে ।

## কম্পিউটাৰ সহযোগী শিক্ষণৰ অসুবিধা :-

কম্পিউটাৰ সহযোগী শিক্ষণৰ ক্ষেত্ৰত কিছুমান অসুবিধাত নথকা নহয় । সেইবোৰ হলঃ-

১/ শ্ৰেণীকক্ষত শিক্ষক শিক্ষাৰ্থীৰ মাজত হোৱা অন্তঃ ক্ৰিয়াৰ দৰে কম্পিউটাৰ যোগে দিয়া শিক্ষণত আন্তঃ ক্ৰিয়াৰ সুবিধা পোৱা নাযায় । ইয়াত শিক্ষাৰ্থীৰ আবেগ অনুভূতি, সন্তুষ্টি, অসন্তুষ্টি আদি লিপিবদ্ধ কৰাৰ কোনো সুবিধা পোৱা নাযায় ।

২/ কম্পিউটাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত থকা বৈদ্যুতিক সংযোগ প্ৰক্ৰিয়াৰ জটিলতাই কম বয়স বা নিম্নশ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক অসুবিধাত পেলাব পাৰে ।

৩/ কম্পিউটাৰ সহযোগী শিক্ষণ প্ৰক্ৰিয়াত কম্পিউটাৰ যোগে বিভিন্ন সমস্যা সমাধানৰ পথ বিচৰা শিক্ষাৰ্থীক মৌলিক চিন্তাৰ বিকাশত বাধা জন্মায় ।

৪/ কম্পিউটাৰ যোগে পোৱা শিক্ষা হল এক যান্ত্ৰিক ব্যৱস্থা । ই মানৱীয় প্ৰমুল্যসমূহৰ বিকাশত সহায় আগবঢ়াব নোৱাৰে ।

৫/ ভাষাজ্ঞান বিকাশত সৰৱ পঠনৰ যি বলিষ্ঠ ভূমিকা আছে তাক কম্পিউটাৰৰ মাধ্যমেৰে পোৱা নাযায় । সেয়েহে ভাষাজ্ঞান আয়ত্ব কৰাৰ ত্ৰেক্ষত কম্পিউটাৰৰ পৰা বিশেষ সহায় আশা কৰিব নোৱাৰি ।

৬/ বিষয়বস্তুৰ পৰিমানগত উপস্থাপনৰ দিশৰ ওপৰত কম্পিউটাৰ ভিত্তিক শিক্ষণৰ সীমাবদ্ধতা আছে । কম্পিউটাৰৰ মনিটৰত খুউব সামান্য বিষয়বস্তু উপস্থাপন কৰিব পৰা যায় । অৰ্থাৎ কম্পিউটাৰৰ দ্বাৰা সমস্যামূলক বিষয়বস্তু উপস্থাপনৰ দিশৰ পৰা উপযোগী হলেও দীৰ্ঘ বিষয়বস্তু উপস্থাপনৰ বাবে অত্যন্ত অনুপযোগী ।

৭/ কম্পিউটাৰ ভিত্তিক শিক্ষণৰ ক্ষেত্ৰত মানৱীয় উপাদানবোৰৰ অভাৱ থাকে । এই শিক্ষাত শিক্ষাৰ্থীসকলে তেওঁলোকৰ নিৰ্ভুল প্ৰতিক্ৰিয়াৰ বাবে কম্পিউটাৰৰ দ্বাৰা উৎসাহ লাভ কৰে । কিন্তু এই উৎসাহ প্ৰদান কাৰ্যত মানৱীয় স্পৰ্শ নাথাকে ।

৮/ সৰ্বসাধাৰণৰ কাৰণে কম্পিউটাৰ এতিয়াও সহজলভ্য হৈ উঠা নাই । ইয়াৰ ব্যৱহাৰ ধনী আৰু আঢ্যৱন্তসকলৰ মাজত সীমাবদ্ধ হৈ থকালৈকে শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত এক বৈষম্য থাকি যোৱাৰ আৱকাশ থাকে ।

Scanned with CamScanner